**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-MAR-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

———————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ মাৰ্চত বৰাক উপত্যকা ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। বৰাক উপত্যকা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে শিলচৰত এখন জনসভাত অংশ ল'ব। জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কালি শিলচৰৰ প্ৰস্তাৱিত সভাস্থলী ৰামনগৰ বাইপাছ পৰিদৰ্শন কৰে। তেওঁ এই ভ্ৰমণ সন্দৰ্ভত কাছাৰ জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ৰ উপৰি কেইবাগৰাকীও বিধায়ক আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

গোলাঘাট জিলাৰ কমাৰগাঁৱত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চুতীয়া ৰাজ্যৰ অন্তিম গৰাকী ৰাণী সতী সাধনীৰ নামত উৎসৰ্গিত সমন্বয় ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সমন্বয় ক্ষেত্ৰত চুতীয়া ৰাজ্যৰ এটা আৰ্হি নিৰ্মাণ কৰাৰ লগতে বীৰাঙ্গনাগৰাকীৰ এশ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে। তদুপৰি সমন্বয় ক্ষেত্ৰত চুতীয়া ৰাজ্যৰ ৰাজধানী ভীষ্মক নগৰ, ৰুক্মিনী নগৰ, ইটানগৰ, আৰু পদুমপুখুৰী আদিৰ আৰ্হি স্থাপন কৰাৰ লগতে সংগ্ৰহালয়, পুথিভড়াল, গোঁসানী শালকে ধৰি বিভিন্ন প্ৰকল্পও সংযুক্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশ লোৱাৰ পাছত কয়, যে চুতীয়া ৰাজ্যৰ গৌৰৱোজ্জ্বল ইতিহাস আৰু আত্মবলিদানৰ স্মৃতি যুগমীয়া কৰাৰ নতুন অধ্যায় আৰম্ভ হৈছে। এই প্ৰকল্পই ইতিহাস, সাংস্কৃতিক পৰিচয় আৰু জাতিগত গৌৰৱৰ শক্তিশালী কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

কংগ্ৰেছে আসন্ন  বিধানসভা নিৰ্বাচনৰ বাবে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ যোৰহাটৰ, মীৰা বৰঠাকুৰ দিছপুৰৰ প্ৰাৰ্থী হ'ব। ৰাতুল পাটোৱাৰীক টিহু, নাৰায়ণ ভূঞাৰ বিহপুৰীয়া, অশোক শৰ্মাক নলবাৰীত টিকট প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি বঙাইগাঁৱত গিৰিশ বৰুৱা, কমলপুৰত সত্যব্ৰত কলিতা, বৰক্ষেত্ৰীত দিগন্ত বৰ্মন, ছিপাঝাৰত বিনন্দ কুমাৰ শইকীয়া, জাগীৰোডত বুবুল দাস, হাজো-শুৱালকুছিত নন্দিতা দাস, বকো-ছয়গাঁৱত ৰমেন সিং ৰাভা, বৰপেটাত মহানন্দ সৰকাৰ, চামগুৰিত তানজিল হুছেইন, বৰচলাত ৰিপুন বৰা, লামডিঙত স্বপন কৰ, সোণাৰীত উৎপল গগৈ, নাজিৰাত দেবব্ৰত শইকীয়া, কৰিমগঞ্জ উত্তৰ সমষ্টিত জাকাৰিয়া আহমেদ, গৌৰীপুৰত আব্দুছ ছ'বাহন আলী সৰকাৰক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। ৰূপহীহাটত নুৰুল হুদা, জোনাইত ৰাজকুমাৰ মেদক, ডুমডুমাত দুৰ্গা ভূমিজ, মাৰ্ঘেৰিটাত প্ৰতীক বৰদলৈ, চাবুৱা-লাহোৱালত প্ৰাঞ্জল ঘাটোৱাৰ, দুলীয়াজানত ধ্ৰুৱ গগৈক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। দলটোৰ শীৰ্ষ নেতৃত্বই নাহৰকটীয়াত প্ৰণতি ফুকন, মাজুলীত ইন্দ্ৰনীল পেগু, টীয়কত পল্লৱ শইকীয়া গগৈ, শিলচৰত অভিজিৎ পল, বোকাজানত ৰেতন ইংটিক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে প্ৰাৰ্থিত্ব লাভ কৰাৰ পাছত এইদৰে মত প্ৰকাশ কৰে-

**বাইট (গৌৰৱ গগৈ)**

ইপিনে, বিজেপিয়ে অসমসহ কেইবাখনো ৰাজ্যৰ ৰাজ্যসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ ভিতৰত দুখনৰ বাবে তেৰছ গোৱালা আৰু যোগেন মহনৰ নাম নিশ্চিত কৰা হৈছে। অৱশ্যে তৃতীয়খন আসনৰ বাবে এতিয়াও প্ৰাৰ্থী চুড়ান্ত হোৱা নাই। বিহাৰৰ দুখন আসনৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু ছিবেশ কুমাৰৰ নাম ঘোষণা কৰা হৈছে। ছত্তিশগড় আৰু হাৰিয়ানাৰ আসন দুখনৰ বাবে ক্ৰমে লক্ষ্মী বাৰ্মা আৰু সঞ্জয় ভাটিয়াৰ নাম ঘোষণা কৰা হৈছে। ওড়িশাৰ দুখন আসনৰ বাবে মনমোহন চামল আৰু সুজিত কুমাৰক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। পশ্চিমবংগৰ ৰাজ্যসভাৰ এখন আসনৰ বাবে ৰাহুল সিনহাৰ নাম বাছনি কৰা হৈছে।

০০০০০০

ভৰলুৰ উৰণ সেঁতুখন আজি উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এইকথা ঘোষণা কৰে। তেওঁ লগতে উৰণ সেতুখন অসম গণ পৰিষদ দলৰ নেতা দীনেশ গোস্বামীৰ নামত উৎসৰ্গা কৰা হ'ব বুলি জানিবলৈ দিয়ে। ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মাণ কৰা উদ্যানৰ আৰু এটা অংশ আজি মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই সেতুখনে মাছখোৱা-শান্তিপুৰৰ লগতে শ্লুইজ গে'টক সংযোগ কৰিব।

০০০০০০

**সমাপ্ত**